জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ২৫৭/২০২২**

# শ্বহীদ স্মাৰক আৰু উদ্যানৰ নিৰ্মাণ-কাৰ্যৰ অগ্ৰগতিৰ বুজ ল'লে মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ, ২৬ আগষ্ট ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি মহানগৰীৰ পশ্চিম বৰগাঁৱত প্ৰায় ৯৯ বিঘা ভূমি এলেকা সামৰি অসম আন্দোলনৰ শ্বহীদসকলৰ স্মৃতিত নিৰ্মাণৰত শ্বহীদ স্মাৰক আৰু উদ্যানৰ কাম-কাজৰ অগ্ৰগতিৰ বুজ লয়।

এই প্ৰকল্পটোত এটা শ্বহীদ স্মাৰক, অপেন এয়াৰ থিয়েটাৰ, পুথিভঁৰাল, প্ৰেক্ষাগৃহ, যোগ আৰু ধ্যান কেন্দ্ৰ, চাইক্লিং ট্ৰেক ইত্যাদি থাকিব। ইতিমধ্যে এই প্ৰকল্পটোৰ প্ৰথম পৰ্যায়ৰ প্ৰায় ৫০ শতাংশ কাম সম্পূৰ্ণ হৈ উঠিছে আৰু আগন্তুক বছৰৰ ভিতৰত প্ৰথম পৰ্যায়ৰ অৱশিষ্ট কাম সম্পূৰ্ণ হৈ উঠিব বুলি আশা কৰা হৈছে।

প্ৰকল্পটোৰ কাম-কাজ পৰ্যালোচনা কৰি মুখ্যমন্ত্ৰীয়ে লোকনিৰ্মাণ বিভাগক উক্ত স্থানত উত্তৰ পূৰ্বাঞ্চলৰ সকলো ৰাজ্যৰ খাদ্য পৰিৱেশন কৰিব পৰা এখন আকৰ্ষণীয় ফুডক'ৰ্ট গঢ়ি তুলিবলৈ নিৰ্দেশ দিয়ে। তেওঁ লগতে প্ৰকল্পস্থলীত শিশুসকলৰ বাবে খেল-ধেমালিৰ স্থান গঢ়ি তুলিবলৈ কয়। মুখ্যমন্ত্ৰীয়ে ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা প্ৰকল্পস্থলীলৈ যোৱা পথটো বহল কৰি যান-বাহনৰ চলাচল সুচলতৰ কৰি ৰাখিব পৰাকৈ নিৰ্মাণ কৰিবলৈ প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিবলৈও বিভাগক নিৰ্দেশ দিয়ে।

মুখ্যমন্ত্ৰীয়ে কয় যে শ্বহীদ স্মাৰক আৰু উদ্যান সম্পূৰ্ণ হৈ উঠিলে ই এক আকৰ্ষণীয় পৰ্যটনস্থলী হিচাপে পৰিগণিত হ'ব। মুখ্যমন্ত্ৰীয়ে প্ৰকল্পটো সময় নিৰ্দ্ধাৰিতভাৱে সম্পূৰ্ণ কৰাৰ বাবে লোকনিৰ্মাণ বিভাগক নিৰ্দেশ দিয়ে। অহা দুমাহৰ ভিতৰত দ্বিতীয় পৰ্যায়ৰ কামৰ বাবে নিবিদা আহ্বান কৰিবলৈও তেওঁ বিভাগক নিৰ্দেশ দিয়ে।

মুখ্যমন্ত্ৰীৰ এই পৰিদৰ্শনৰ সময়ত অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্ৰী অতুল বৰা, ৰাজ্য সভাৰ সাংসদ পবিত্ৰ মাৰ্ঘেৰিটা, লোকনিৰ্মাণ (গৃহ) বিভাগৰ বিশেষ আয়ুক্ত সচিব ৰাজ চক্ৰৱৰ্তীও উপস্থিত থাকে।

**ৰীঃগঃ / পুঃডেঃ**
**২৬/০৮/২০২২**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in